# ভিয়েনা মহাসভা, ইউৰোপৰ শক্তি সমবায় আৰু মেটাৰনিক ব্যৱস্থা

# (The Congress of Vienna, The Concept of Europe and The System of Metternich)

## ১.০১ ভিয়েনা মহাসভা (The Congress of Vienna) ঃ

এক অগ্নিপিণ্ডৰ দৰে সমগ্ৰ ইউৰোপত যুদ্ধৰ দাবানলৰ সৃষ্টি কৰা নেপোলিয়ন বোনাপাৰ্টৰ পৰাজয় (মাৰ্চ, ১৮১৪) আৰু তেওঁক এলবা দ্বীপলৈ নিৰ্বাসন দিয়াৰ লগে লগে তেওঁৰ বিশাল সাম্ৰাজ্য ভাগি পৰিছিল। প্ৰকৃততে সম্ৰাট নেপোলিয়নৰ উত্থানৰ ফলত সমগ্ৰ ইউৰোপৰ ৰাষ্ট্ৰ ব্যৱস্থাৰ এক বিৰাট পৰিৱৰ্তনৰ সূচনা হৈছিল আৰু সেয়েহে তেওঁৰ পতনে ইউৰোপৰ পুনৰ্বণ্টন আৰু পুনৰ্গঠনৰ আশু প্ৰয়োজনীয়তাৰ সৃষ্টি কৰিছিল। এই লক্ষ্য আগত ৰাখি ইউৰোপৰ ৰাজনীতিবিদসকলে অষ্ট্ৰিয়া সাম্ৰাজ্যৰ ৰাজধানী ভিয়েনাত সমবেত হৈছিল আৰু ইয়াকে সাধাৰণভাৱে 'ভিয়েনা কংগ্ৰেছ' বা সন্মিলন/মহাসভা আখ্যা দিয়া হয়। নেপোলিয়নৰ ঠিক পাছতে ১৮১৪ চনৰ মে' মাহত ফ্ৰান্স আৰু মিত্ৰপক্ষৰ প্ৰতিনিধিসকলৰ মাজত সম্পাদিত পেৰিছৰ প্ৰথম সন্ধি অনুসাৰে সেই বছৰে ১ নৱেম্বৰত ভিয়েনা সন্মিলন আৰম্ভ হৈছিল। এই সন্মিলনৰ সমস্যাৰ জটিলতা আৰু গুৰুত্ব তথা যোগদানকাৰী প্ৰতিনিধিবৰ্গৰ মৰ্যাদা আৰু সংখ্যা বিচাৰ কৰিলে ক'ব পৰা যায় যে, সপ্তদশ শতিকাৰ ৱেষ্টফেলিয়া (Westphalia) সন্মিলনৰ পিছত এনে আড়ম্বৰপূৰ্ণ সন্মিলন ইউৰোপত ইয়াৰ পূৰ্বে কেতিয়াও অনুষ্ঠিত হোৱা নাছিল। প্ৰকৃততে ভিয়েনা সন্মিলনেই আছিল ইউৰোপ তথা বিশ্বৰ প্ৰথম আন্তঃৰাষ্ট্ৰীয় সন্মিলন। এই মহাসভাৰ গুৰুত্বলৈ দৃষ্টিপাত কৰি প্ৰসিদ্ধ ঐতিহাসিক চি. ডি. হেজেনে (C. D. Hazen)এ মন্তব্য কৰিছে যে— "The Congress of Vienna was one of the most important diplomatic gatherings in the history of Europe by reason of the number, variety and gravity of the questions presented and settled."

১৮১৪ খ্ৰীষ্টাব্দৰ ১ নৱেম্বৰত এই ভিয়েনা সন্মিলন আৰম্ভ হয়। সমসাময়িক তিনিজন শক্তিশালী শাসক— অষ্ট্ৰিয়াৰ সম্ৰাট প্ৰথম ফ্ৰেন্সিচ, ৰুচিয়াৰ জাৰ প্ৰথম

আকেজেণ্ডাৰ আৰু প্ৰুচিয়াৰ ৰজা তৃতীয় ফ্ৰেডৰিক উইলিয়াম এই সন্মিলনত সৌশৰীৰে উপস্থিত আছিল। তদুপৰি বেভেৰিয়া, ৱাৰ্টেমবাৰ্গ (Wartemburg) আৰু ডেনমাৰ্কৰ ৰজাৰ উপস্থিতিয়ে সন্মিলনত অংশগ্ৰহণকাৰী মুকুটধাৰী শাসকৰ সংখ্যা ছয়লৈ বৃদ্ধি কৰিছিল। উপস্থিত ৰাজনীতিজ্ঞসকলৰ মাজত উল্লেখযোগ্য আছিল ইংলেণ্ডৰ ধুৰন্ধৰ ৰাজনীতিজ্ঞ লৰ্ড ক্যেচেলৰি (Lord Castlereagh) আৰু ডিউক অব ৱেলিংটন, প্ৰুচিয়াৰ প্ৰিন্স হাৰ্ডেনবাৰ্গ (Bardenberg), অষ্ট্ৰিয়াৰ প্ৰধান মন্ত্ৰী প্ৰিন্স মেটাৰনিক আৰু ৰাছিয়াৰ কাউন্ট নেচেলৰোড। পৰাজিত ফ্ৰান্সৰ আমন্ত্ৰিত প্ৰতিনিধি আছিল বিশিষ্ট কুটনীতিবিদ টেলিৰেণ্ড (টেলৰাঁও, Talleyrand), যি মিত্ৰ পক্ষৰ শক্তিসমূহৰ মাজত প্ৰবল বিবাদৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি পৰাভূত ফ্ৰান্সৰ স্বাৰ্থ বহুদূৰ ৰক্ষা কৰাত সফল হৈছিল। মুঠতে তুৰ্কী আৰু পোপৰ ৰাজ্যকেইখনমানক বাদ দি ইউৰোপৰ প্ৰায় প্ৰতিখন দেশৰ বছা বছা প্ৰতিনিধি এই মহাসন্মিলনত উপস্থিত আছিল। এই সন্মিলন আৰম্ভ হোৱাৰ পৰৱৰ্তী কেইবাটাও মাহ ভিয়েনা মহানগৰী কেৱল যে ইউৰোপৰ ৰাজনীতিৰ কেন্দ্ৰবিন্দু হৈছিল এনে নহয়, ই লগতে প্ৰতিনিধিবৰ্গৰ সামাজিক মৰ্যাদা আৰু ব্যক্তিগত বাদ-বিসম্বাদৰ কেন্দ্ৰস্বৰূপ হৈ উঠিছিল।

বহুসংখ্যক ৰাষ্ট্ৰৰ প্ৰতিনিধিয়ে এই সন্মিলনত যোগদান কৰিলেও প্ৰকৃতপক্ষে নেপোলিয়নৰ পতনত সৰ্বাধিক গুৰুত্বপূৰ্ণ ভূমিক লোৱা চাৰিশক্তি ইংলেণ্ড, ৰুচিয়া, প্ৰুচিয়া আৰু অষ্ট্ৰিয়াৰ প্ৰতিনিধিবৰ্গৰ হাততেই এই বৈঠকৰ সিদ্ধান্ত লোৱাৰ দায়িত্ব অৰ্পিত হৈছিল। এই চাৰি প্ৰধান (Big Four) ৰাষ্ট্ৰৰ মূল প্ৰতিনিধিকেইজন হ'ল— অষ্ট্ৰিয়াৰ চেন্সেলৰ তথা ভিয়েনা সন্মিলনৰ সভাপতি মেটাৰনিক, ৰুচ জাৰ আলেকজেণ্ডাৰ, ইংলেণ্ডৰ দুই বিশিষ্ট কূটনীতিবিদ ক্যেচেলৰি আৰু ৱেলিংটন তথা প্ৰুচিয়াৰ ৰজা তৃতীয় ফ্ৰেডৰিক উইলিয়াম। অসাধাৰণ ব্যক্তিত্ব আৰু কূটনীতিজ্ঞান সম্পন্ন মেটাৰনিক আছিল ভিয়েনা সন্মিলনৰ নিয়ন্ত্ৰতাস্বৰূপ। নিজ অন্তৰ্দৃষ্টি, মাধুৰ্য, সূক্ষ্ম মন্ত্ৰণা, জটিল সমস্যাক সুন্দৰ সুন্দৰ বাক্যৰে কুঁৱলীৰে আচ্ছাদন দি গোপনে সমাধা কৰাৰ চাতুৰ্য আদিৰে মেটাৰনিক হৈ পৰিছিল ভিয়েনা মহাসভাৰ প্ৰকৃত দিশ নিৰ্ণায়ক। ক্যেচেলৰিৰ দৰে অন্তৰ্দৃষ্টি থকা কূটনীতিবিদে অভিমত প্ৰকাশ কৰিছে যে, ভিয়েনা মহাসভাৰ তীব্ৰ চাকনৈয়াত মেটাৰনিকে মাছৰ দৰেই সাৱলীলভাৱে সাঁতুৰি নাদুৰি ফুৰিব পাৰিছিল ("He could swim like a fish in the sparkling whirlpool"– Lord Castlereagh)। বাস্তৱিকতে কেৱল ভিয়েনা মহাসভাতে নহয়, নেপোলিয়নৰ পতনৰ পিছৰ প্ৰায় তিনি দশকতকৈও অধিক কাল ইউৰোপৰ

ইতিহাস মেটাৰনিকে তেওঁৰ কূটনৈতিক প্ৰতিভাৰে প্ৰভাৱান্বিত কৰি ৰাখিছিল। সেয়েহে ১৮১৫ ৰ পৰা ১৮৪৮ খ্ৰীঃ পৰ্যন্ত এই কালছোৱাক ইউৰোপৰ ইতিহাসত 'মেটাৰনিকৰ যুগ' (Era of Metternich) আখ্যা দিয়া হয়। মেটাৰনিকৰ পিছতে সন্মিলনখনত সৰ্বাধিক দৃষ্টি আকৰ্ষণ কৰিছিল ৰুছ জাৰ আলেকজেণ্ডাৰে। ৰুচিয়াৰ দৰে স্বৈৰাচাৰী ৰাষ্ট্ৰৰ অধীশ্বৰ হৈয়ো ৰাজনৈতিক মতবাদত এইজন জাৰ উদাৰপন্থী আছিল। কিন্তু ভিয়েনা সন্মিলনত তেওঁ ইউৰোপৰ খ্ৰীষ্টান ৰাষ্ট্ৰসমূহক লৈ ধৰ্মভিত্তিক এক ইউৰোপীয় মৈত্ৰীসংঘ গঠনৰ এক প্ৰায় অবাস্তৱ পৰিকল্পনা দাঙি ধৰি নিজকে হাঁহিয়তাৰ পাত্ৰ কৰি তুলিছিল। মেটাৰনিকে জাৰ আলেকজেণ্ডাৰ সম্পৰ্কে আনকি এনেদৰে মন্তব্য কৰিছিল— "a mad man to be humoured." সন্মিলনখনৰ আন এক বিশিষ্ট প্ৰতিনিধি প্ৰুচিয়াৰ ৰজা তৃতীয় ফ্ৰেডৰিক উইলিয়াম ৰুছ জাৰৰ একান্ত অনুগত হৈ থকাত তেওঁ বৈঠকখনিত প্ৰায় নিষ্ক্ৰিয় আছিল বুলি ক'ব পৰা যায়। আনহাতে ইংলেণ্ডৰ প্ৰতিনিধিদ্বয়— ক্যেচেলৰি আৰু ডিউক অব ৱেলিংটনে ব্ৰিটিছ সংসদৰ উপযুক্ত সমৰ্থন লাভত ব্যৰ্থ হোৱাত ভিয়েনা সন্মিলনত সক্ৰিয় অংশগ্ৰহণ কৰিব পৰা নাছিল। এইবোৰ কাৰণত মহাসন্মিলনৰ কেন্দ্ৰীয় চৰিত্ৰ হৈ পৰিছিল আয়োজক ৰাষ্ট্ৰ অষ্ট্ৰিয়াৰ প্ৰতিনিধি মেটাৰনিক নিজে।

১৮১৪ খ্ৰীষ্টাব্দৰ ১ মে'ত আৰম্ভ হোৱা ভিয়েনা বৈঠকে ৩০ মে'ৰ ভিতৰতে প্ৰথম শান্তি চুক্তিৰ খচৰা প্ৰস্তুত কৰিবলৈ সক্ষম হৈছিল। কিন্তু প্ৰতিনিধিবৰ্গৰ মাজত পোলেণ্ড, জাৰ্মানী আৰু আলছাচ-ল'ৰেইন লৈ তীব্ৰ মতবিৰোধৰ সৃষ্টি হয়। তেওঁলোকৰ দ্বন্দ্বই যেতিয়া চৰম সীমা পাওঁ পাওঁ, তেনেতে এলবা দ্বীপৰ পৰা নেপোলিয়নৰ ফ্ৰান্সলৈ প্ৰত্যাবৰ্তন কৰাৰ সংবাদ আহিল (৬ মাৰ্চ, ১৮১৫)। মুহূৰ্তৰ ভিতৰতে প্ৰতিনিধিবৰ্গই নিজ বাদ-বিসম্বাদ পাহৰি পুনৰাই নেপোলিয়নৰ বিৰুদ্ধে সংঘবদ্ধ হ'ল। অৱশেষত ওৱাটাৰলুৰ যুদ্ধত (১৮ জুন, ১৮১৫ খ্ৰীঃ) নেপোলিয়নৰ চূড়ান্ত পতনৰ পিছত ভিয়েনা মহাসভাৰ কাম পুনৰাই আৰম্ভ হ'ল।

**ভিয়েনা সন্মিলনে সন্মুখীন হোৱা মূল সমস্যাসমূহ (Main Problems before the Vienna Congress) :**

মিত্ৰপক্ষৰ মাজত প্ৰকৃতপক্ষে একমাত্ৰ বন্ধনৰ সূত্ৰডাল আছিল নেপোলিয়নৰ বিৰুদ্ধে সংগ্ৰাম। যিমান দিন নেপোলিয়ন অপৰাজিত আছিল, সিমান দিনলৈকে মিত্ৰপক্ষৰ মাজৰ ঐক্যবন্ধন অটুট আছিল। কিন্তু নেপোলিয়নৰ পতনৰ লগে লগে মিত্ৰৰাষ্ট্ৰবৰ্গৰ মাজত নানা প্ৰকাৰৰ বাদ-বিসম্বাদৰ উদ্ভৱ হয়, যিবোৰে ভিয়েনা সন্মিলনৰ

প্ৰতিক্ৰিয়াশীল ৰক্ষণশীল শাসন আছিল অব্যাহত। একমাত্ৰ ৰুচিয়াৰ জাৰ প্ৰথম আলেকজেণ্ডাৰ উদাৰ মনোভাবাপন্ন আছিল যদিও তেওঁৰ এই উদাৰতা সম্পৰ্কে অন্যান্য ৰাষ্ট্ৰনায়কসকলৰ যথেষ্ট সন্দেহ আছিল। সেয়েহে এনে পটভূমিত ৰক্ষণশীল প্ৰতিনিধিসকলেই ইউৰোপৰ পুনৰগঠন আৰু পুনৰবণ্টনত প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল।

চতুৰ্থতে, নেপোলিয়নৰ বিৰুদ্ধে সংগ্ৰামেই আছিল মিত্ৰপক্ষৰ মাজৰ একমাত্ৰ বন্ধনসূত্ৰ আৰু নেপোলিয়নৰ পতনৰ লগে লগে এই ঐক্যবন্ধন সুলকি পৰিল আৰু মিত্ৰ ৰাষ্ট্ৰসমূহৰ মাজৰ স্বাৰ্থৰ সংঘাতে ভিয়েনা মহাসভাৰ মেজত প্ৰচণ্ড উত্তেজনাৰ সৃষ্টি কৰিলে। এইক্ষেত্ৰত দেখা যায় যে, ৰুচিয়াৰ শক্তিবৃদ্ধি অষ্ট্ৰিয়াৰ মনঃপুত নাছিল আৰু প্ৰুচিয়াক ৰাজ্য প্ৰদান কৰি জাৰ্মানীত প্ৰুচিয়াৰ প্ৰাধান্য স্থাপন হোৱাটোও অষ্ট্ৰিয়াই একেবাৰে কামনা কৰা নাছিল। আনহাতে চাৰি বৃহৎ শক্তি- ইংলেণ্ড, অষ্ট্ৰিয়া, প্ৰুচিয়া আৰু ৰুচিয়াই নিজৰ মাজতে পোলেণ্ড, জাৰ্মানী আৰু ইটালী সম্পৰ্কে বিধি-ব্যৱস্থা ল'বলৈ দৃঢ়প্ৰতিজ্ঞ আছিল যদিও এই বিষয়বোৰতো তেওঁলোকৰ মাজত সংঘাত আৰম্ভ হৈছিল। উদাহৰণস্বৰূপে ৰুচিয়াৰ জাৰে সমগ্ৰ পোলেণ্ড দাবী কৰাত প্ৰুচিয়া আৰু অষ্ট্ৰিয়াই ইয়াৰ বিৰোধিতা কৰি পোলেণ্ডৰ কিছু অংশ দাবী কৰে। আনহাতে প্ৰুচিয়াই সমগ্ৰ চেক্সনীৰ ওপৰত তোলা দাবী ৰুচ জাৰে সমৰ্থন কৰিছিল, কাৰণ ১৮১৩ খ্ৰীঃত সম্পাদিত এক চুক্তি (Treaty of Kalisch) অনুসাৰে ৰুচিয়াই পোলেণ্ড গ্ৰাস কৰাৰ ক্ষতিপূৰণ ৰূপে চেক্সনীৰ ওপৰত প্ৰুচিয়াৰ দাবী স্বীকাৰ কৰি লৈছিল। আকৌ ইটালীৰ জেনোৱা লৈ ইংলেণ্ড আৰু চাৰ্দিনিয়াৰ মাজত মতানৈক্যৰ উদ্ভৱ হয়। জেনোৱাৰ স্বাধীনতাক ইংলেণ্ডে পূৰ্বতে প্ৰতিশ্ৰুতি দিছিল; কিন্তু চাৰ্দিনিয়াই জেনোৱাৰ ওপৰত দাবী তুলিছিল। চাৰ্দিনিয়াৰ মূল লক্ষ্য আছিল ইটালীৰ ঐক্যবন্ধন, কিন্তু এইক্ষেত্ৰত প্ৰধান অন্তৰায় আছিল অষ্ট্ৰিয়া, যি ভেনিচিয়া দখল কৰিবলৈ বদ্ধপৰিকৰ আছিল।

পঞ্চমতে, গীৰ্জা আৰু পোপৰ লগত ইউৰোপৰ ৰাষ্ট্ৰসমূহৰ সম্পৰ্ক নিৰ্দ্ধাৰণ ভিয়েনা মহাসভাৰ এক জটিল সমস্যা স্বৰূপ আছিল। ফৰাচী বিপ্লৱৰ পূৰ্বে ইউৰোপৰ ধৰ্ম-জগতৰ পোপ মুৰব্বী হোৱাৰ উপৰি ৰাষ্ট্ৰসমূহৰ সম্ৰাট, ৰজা আৰু প্ৰজাই তেওঁৰ নিৰ্দেশ মানি চলিব লগা হৈছিল। কিন্তু ১৭৮৯ চনৰ বিপ্লৱৰ সূচনা হোৱাৰ লগে লগে পৰিস্থিতিৰ দ্ৰুত পৰিবৰ্তন ঘটিল। বিপ্লৱৰ নেতাসকলে গীৰ্জাৰ সা-সম্পত্তি বাজেয়াপ্ত কৰি গীৰ্জাৰ ভূমি কৃষক আৰু সাধাৰণ প্ৰজাক বিক্ৰী কৰিলে। বিপ্লৱী ফ্ৰান্সৰ 'জাতীয় সভা'ই প্ৰৱৰ্তন কৰা সংবিধানে গীৰ্জাৰ ক্ষমতা হ্ৰাস কৰাৰ লগতে গীৰ্জাক ৰাষ্ট্ৰৰ

নিয়ন্ত্ৰণাধীন এক সাধাৰণ অনুষ্ঠানত পৰিণত কৰিলে। নেপোলিয়নে আকৌ পোপক বন্দী কৰাই নহয়, তেওঁৰ ৰাজ্যসমূহো গ্ৰাস কৰি নিজ সাম্ৰাজ্যৰ লগত চামিল কৰিলে। এনেদৰে পোপে তেওঁৰ পৰম্পৰাগত মৰ্যাদা আৰু গীৰ্জাৰ প্ৰতিষ্ঠিত সন্মান স্খলিত হৈছিল। সেয়েহে ৰাৰ্টাৰলুত নেপোলিয়নৰ পতনৰ পিছত গীৰ্জা আৰু পোপৰ মৰ্যাদা পুনৰুদ্ধাৰ কৰাটো ৰক্ষণশীল ভিয়েনা সন্মিলনৰ প্ৰতিনিধিবৰ্গৰ বাবে এক প্ৰবল প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছিল।

শেষত, ভিয়েনা মহাসভাৰ চাৰি বৃহৎ শক্তিবৰ্গৰ নিৰঙ্কুশ প্ৰাধান্যৰ বিৰুদ্ধে ফৰাচী প্ৰতিনিধি টেলিৰেণ্ডৰ দোৰ্ঘোৰ প্ৰতিবাদ আৰু ফ্ৰান্সৰ স্বাৰ্থৰ প্ৰতি ৰুচ জাৰ প্ৰথম আলেকজেণ্ডাৰৰ সহানুভূতিশীল দৃষ্টিভংগীয়ে মহাসভাখনৰ কাৰ্যাৱলী সম্পাদনৰ ক্ষেত্ৰত জটিলতাৰ সৃষ্টি কৰিছিল। বাস্তৱতে ৰুচ জাৰৰ হস্তক্ষেপৰ ফলতেই পৰাজিত ফ্ৰান্স বিজয়ী ৰাষ্ট্ৰবৰ্গৰ হাতত চৰম দুৰ্গতি আৰু লাঞ্ছিত হোৱাৰ পৰা পৰিত্ৰাণ পাইছিল। তদুপৰি সুদক্ষ কূটনীতিবিদ টেলিৰেণ্ডে নিজ দক্ষতাৰ জৰিয়তে ১৮১৫ খ্ৰীঃৰ জানুৱাৰী মাহত চাৰি প্ৰধান শক্তিৰ বৈঠকত যোগদানৰ অনুমতি লাভ কৰি ফ্ৰান্সৰ বিৰুদ্ধে গঠিত মিত্ৰপক্ষৰ ঐক্যবন্ধন ছিন্ন-বিচ্ছিন্ন কৰি ভিয়েনা সন্মিলন এক গুৰুত্বপূৰ্ণ ভূমিকাত অৱতীৰ্ণ হ'বলৈ সক্ষম হৈছিল।

বাবে বহু জটিল সমস্যাৰ সৃষ্টি কৰিছিল। এই সমস্যাসমূহ নিম্নউল্লিখিত ধৰণে আলোচনা কৰিব পাৰি।

**প্ৰথমতে,** নেপোলিয়নৰ উত্থান-পতন উভয়ে ইউৰোপৰ ৰাজনীতিক্ষেত্ৰখনত বহুবিধ সমস্যাৰ সৃষ্টি কৰিছিল। তেওঁৰ সাফল্যমণ্ডিত অভিযানসমূহে ইউৰোপৰ মানচিত্ৰৰ এক ব্যাপক পৰিৱৰ্তন ঘটাইছিল। সেয়েহে নেপোলিয়নৰ পতনৰ পিছত অনুষ্ঠিত ভিয়েনা সন্মিলনৰ সন্মুখত দেখা দিয়া অন্যতম প্ৰধান সমস্যা আছিল ইউৰোপৰ ৰাষ্ট্ৰ ব্যৱস্থাৰ পুনৰ সংগঠন আৰু নেপোলিয়নৰ সাম্ৰাজ্যৰ পুনৰ্বণ্টন। ঐতিহাসিক চি. ডি. হেজেনে (C. D. Hazen) সঠিকভাৱেই মন্তব্য কৰিছিল যে— "As all the nations of Europe had been profoundly affected by his enterprise, so all were profoundly affected by his fall. The destruction of the Napoleonic regime must be followed by the reconstruction of Europe. This work of reconstruction was undertaken by the Congress of Vienna."

**দ্বিতীয়তে,** নেপোলিয়নৰ ৰাজ্য গ্ৰাসেই নহয়, ফৰাচী বিপ্লৱৰ আদৰ্শইও ইউৰোপৰ ৰাজনৈতিক তথা আৰ্থ-সামাজিক ক্ষেত্ৰখনলৈ বিপুল পৰিৱৰ্তন আনিছিল। প্ৰকৃততে ১৭৮৯ খ্ৰীঃত সূচনা হোৱা ফৰাচী বিপ্লৱে 'স্বাধীনতা, সাম্য আৰু মৈত্ৰী'ৰ বাৰ্তা বহন কৰি আনি সমগ্ৰ ইউৰোপত আলোড়নৰ সৃষ্টি কৰিছিল। নেপোলিয়নৰ পতনৰ পিছতো এই বৈপ্লৱিক ভাবধাৰা যথেষ্ট সক্ৰিয় হৈ আছিল। ভিয়েনা মহাসভাৰ প্ৰতিনিধিসকলৰ যিহেতু মূল লক্ষ্য আছিল ইউৰোপৰ ৰাজনৈতিক অৱস্থাক ১৭৮৯ খ্ৰীঃৰ পূৰ্বৰ অৱস্থালৈ পুনৰবিন্যাস কৰা, সেয়েহে তেওঁলোকৰ বাবে বিপ্লৱী আদৰ্শক পদদলিত কৰাটো অতীৱ প্ৰয়োজনীয় হৈ পৰিছিল। তেওঁলোকে ফৰাচী বিপ্লৱ প্ৰসূত ভাবাদৰ্শক এক 'সংক্ৰামক ব্যাধি' বুলি গণ্য কৰিছিল। সেয়েহে এই বিপ্লৱী ভাবাদৰ্শক নিঃশেষ কৰাটো ভিয়েনা মহাসভাৰ অন্যতম মূল সমস্যা আছিল।

**তৃতীয়তে,** যোগদানকাৰী ৰাষ্ট্ৰনায়কসকলৰ মাজৰ আদৰ্শগত সংঘাতে ভিয়েনা সন্মিলনৰ বাবে যথেষ্ট সমস্যাৰ সৃষ্টি কৰিছিল। ৰুচিয়াৰ জাৰৰ বাহিৰে অন্যান্য সন্মিলনত যোগদানকৰী ৰাষ্ট্ৰনায়কসকল আছিল প্ৰতিক্ৰিয়াশীল তথা ৰক্ষণশীল। ইংলেণ্ডৰ সেই সময়ত ৰক্ষণশীল টোৰী (Tory) দলৰ চৰকাৰ ক্ষমতাত আছিল আৰু ই স্বদেশ আৰু বিদেশ উভয়তে বিপ্লৱী ভাবধাৰা প্ৰতিহত কৰি প্ৰাক্ ফৰাচী বিপ্লৱ প্ৰচলিত ৰাষ্ট্ৰীয় ব্যৱস্থা অব্যাহত ৰখাত আগ্ৰহী আছিল। অষ্ট্ৰিয়া আৰু প্ৰুচিয়াত